# স্বৰ্গীয় ভীমবৰ দেউৰী

[ আগৰ সংখ্যাৰ পিছৰ পৰা— ]

ভীমবৰে নগাও জিলাৰ ট্ৰাইবেল লীগৰ ৪ৰ্থ বাৰ্ষিক অধিবেশনত সভাপতিত্ব কৰে। ধেমাজি অঞ্চলৰ বতোৱা গাৱঁত আকৌ মিৰি সন্মিলনীত ভীমবৰে সভাপতিত্ব কৰিছিল। গোৱালপাৰা ট্ৰাই-বেল লীগ—(জিলা) ৰ ধাউলাগুৰি অধিবেশনত ভীমবৰে সভাপতিত্ব কৰে। এই সভাত প্ৰদৰ্শনীও হৈছিল। বাহগড়া দেউৰী গাঁৱত বহা উত্তৰ লক্ষ্মীমপুৰ জিলা ট্ৰাইবেল লীগৰ প্ৰথম অধিশেনত ভীমবে সভাপতিত্ব কৰে। সদৌ দেউৰী সন্মিলনৰ উত্তৰ লক্ষীমপুৰ বাঁহগড়া দেউৰী অধিবেশনত ভীমবৰে পৌৰোহিত কৰে। শিৱসাগৰ জিলা ট্ৰাইবেল লীগ শ্ৰীযুত ধীৰ সিং দেউৰী এম, এল, এৰ সভাপতিত্বত ৰাজবাৰীত বহোঁতে ভীমবৰে নেতৃত্ব কৰিছিল। শিৱসাগৰ জিলা-ট্ৰাইবেল ছাত্ৰ সংঘৰ টেঙাপানী অধিবেশনত ভীমবৰে সভাপতিত্ব কৰে।

এইদৰে ১৯৩৯ চনলৈকে ভীমবৰ এজন ডাঙৰ নেতা আৰু সমাজ সেৱক হৈ উঠিছিল। তেতিয়া তেখেত আসাম গবৰ্ণমেণ্টৰ যুদ্ধ প্ৰচেষ্টা (War efforts) ত সহানুভুতি জনায়। লগে লগেই শ্বাদুল্লা মন্ত্ৰী সভাত ব্ৰহ্ম ডাঙৰীয়াক পুনৰ জংঘলী বিভাগৰ আসন দিয়ে। লেজিছ লেটিভ কাউঞ্চিলৰ সভ্য, ডিব্ৰুগড় লোকেল বোৰ্ডৰ মেম্বাৰ, ডিব্ৰুগড় বেৰি হোৱাইট মেডিকেল স্কুলৰ গভৰ্ণিং বডিৰ সদস্য আৰু আসাম ট্ৰাইবেল লীগৰ চেক্ৰেটাৰী। ট্ৰাইবেল হোজা গাৱলীয়াৰ পৰা আৰম্ভ কৰি মন্ত্ৰীবিলাকলৈকে সকলো তেতিয়া তেওঁৰ পৰা কিবা এটা কাম আদায় কৰিবৰ বাবে ব্যগ্ৰ।

ভীমবৰ ১৯৩৮ চনত ডিব্ৰুগড় লোকেলবোৰ্ডত গৱৰ্ণমেণ্টৰ মেম্বৰ মনোনীত হয়। সেই উপ-লক্ষে স্বৰ্গীয় নীলাম্বৰ দত্তক চেয়াৰমেন পাতিবলৈ ব্ৰহ্ম ডাঙৰীয়াই অনুৰোধ জনায়। তেতিয়া ভীমবৰে উত্তৰ দিয়ে,— "শ্ৰীযুত ধীৰ সিং দেউৰী আৰু আপোনাৰ চিঠিৰ পৰা মই বুজিব পাৰিছোঁ যে আপোনালোক সকলোৱে মোক শ্ৰীযুত নৱ কুমাৰ দত্তৰ পিতাকক সমৰ্থন কৰিবলৈ কৈছে। আপোনালোকৰ প্ৰতি, সেই বাবে, মোৰ বৰ খঙ উঠিছে। ইউৰোপীয়ান দলে নীলাম্বৰ দত্তক সমৰ্থন কৰিছে, সেই বাবে আমি পদত্যাগ কৰিব লগাত পৰিছোঁ। ইউ-ৰোপীয়ান দলৰ দৰে নীলাম্বৰ দত্তজন সমাজৰ শিক্ষাৰ বিৰোধী।" ইয়াৰ পৰাই বুজা যায়, ভীমবৰে সদায় গণ-সমাজৰ হিতৰ বাবে চিন্তা কৰিছিল। তাৰ পিছতেই ৰায় বাহাদুৰ সদানন্দ দুৱৰা, শ্ৰীযুত যোগেন্দ্ৰ নাথ বৰুৱা স্বৰ্গীয় যোগেশচন্দ্ৰ গোঁহাই, আৰু শ্ৰীযুত এচ, বৰুৱাৰ সহ ভীমবৰে লোকেল বোৰ্ডৰ পৰা পদত্যাগ

OKDISCD

দাখিল কৰে। কিন্তু লোকেলবোর্ড আদিত সভ্য থাকি কংগ্ৰেছীসকলে ৰাইজৰ সেৱা কৰিবলৈ অল ইণ্ডিয়া কংগ্ৰেছ কমিটিয়ে সুবিধা দিয়াত 'আৰু আসাম গবৰ্ণমেণ্টেও পদত্যাগ উঠাই লবলৈ অনুৰোধ কৰাত তেওঁলোকে পদ-ত্যাগ উঠাই লয়। (৫জুলাই ১৯৩৮চন)

১৯৩৮ চনৰ ১৭ চেপ্তেম্বৰ দিনা কংগ্ৰেছ প্ৰেচিডেণ্ট সুভাষ চন্দ্ৰ বসু আৰু অল-ইণ্ডিয়া কংগ্ৰেছ ওৱাৰ্কিং কমিটিৰ সদস্য আবুল কালাম আজাদে ঘোষণা কৰে যে নতুন মন্ত্ৰী সভাত ৫জন হিন্দু আৰু ৩ জন মুছলমান মুঠ ৮ জন মন্ত্ৰী সভা গঠন কৰিব।

হিন্দুৰ পিনৰ পৰা গোপীনাথ বৰদলৈ প্ৰধান মন্ত্ৰী। কামিনী কুমাৰ সেন, ৰূপনাথ ব্ৰহ্ম, অক্ষয় কুমাৰ দাস আৰু ৰামনাথ দাস। ৩ জন মুছলমান তেতিয়াও যোগ দিয়া নাছিল। পিছত আব্দুল মতিন চৌধুৰী, খান বাহাদুৰ মহম্মদ আলি আৰু ফখৰুদ্দিন আহমদ মন্ত্ৰী সভাত সোমায়।

কংগ্ৰেছ মন্ত্ৰী সভা গঠনত সকলোৱে সন্দেহ কৰিছিল যে, শাসন ভালকৈ নচলিব। ট্ৰাইবেল জাতিৰ অনেকেই ভীমবৰলৈ চিঠি লিখে ট্ৰাইবেল ৰাইজৰ কাম কৰিব পৰা নাই বুলি। চিলেটত অশান্তি হৈছে বুলি কেন্দ্ৰীয় পৰিষদৰ সভ্য ব্ৰজেন্দ্ৰ লাল চৌধুৰীয়ে বৰদলৈ ডাঙৰীয়ালৈ মুকলি চিঠি দিয়ে। ( ৪।১১।৩৮ )

শ্বাদুল্লা চাহৰ দ্বিতীয় মন্ত্ৰী সভাই চুক্তিমতে ট্ৰাইবেল লীগৰ সমৰ্থন পায়। এইবাৰ ট্ৰাইবেল এম, এল,এ, সকলে অসমীয়া প্ৰেছবিলাকৰ পৰা খুব গালি খাবলৈ ধৰিলে। ভীমবৰেই সকলোবিলাক গালিৰ 'ষ্টাৰলেট্'। তিনি দিনীয়া অসমীয়া তৰুণ অসম, হিন্দুস্থান ষ্টেণ্ডাৰ্ড, আসাম ট্ৰিবুন আদি সকলোবোৰত খবৰ ওলায় দেউৰীয়ে এনেহে কৰিলে তেনেহে কৰিলে ইত্যাদি। তিনিদিনীয়া অসমীয়াই ভীবৰক গালি নপৰাকৈ থাকিবই নোৱাৰিছিল।

ভীমবৰৰ ওপৰত ট্ৰাইবেল ৰাইজৰ দৃঢ় বিশ্বাস আছিল। তেখেতে নগাওঁ জিলাত তৃতীয় অধিবেশন ট্ৰাইবেল লীগ পাতোঁতে ঘাগুৰা মৌজাৰ ট্ৰাইবেল আৰু অনা টাইবেল অনেক ৰাইজে ওচৰ চাপি দুখৰ বাতৰি জনায়হি যে ঘাগুৰা মৌজাদাৰে ৰাইজৰ ওপৰত কিছুমান অমানুষিক অত্যাচাৰ কৰিছে। গতিকে গৱৰ্ণমেণ্টে মৌজাদাৰক তাৰ পৰা খেদাব লাগে। মাটিহীন ট্ৰাইবেলে মাটি পাবৰ বাবে তেতিয়া দৰ্খাস্ত কৰে ভীমবৰলৈ। প্ৰাইমাৰী স্কুলবোৰ্ডে লবলৈ, মাইনৰ স্কুল, হাইস্কুল চৰকাৰী কৰিবলৈ, পৰীক্ষাত বৃত্তি পাবলৈ, উচ্চ শিক্ষাৰ বাবে ষ্টাইপেণ্ড্ পাবলৈ তেতিয়া ভীমবৰৰ ওপৰত ছাত্ৰ সকলে আবেদন কৰে।

ভীমবৰে কংগ্ৰছ মন্ত্ৰী সভাই পদত্যাগ কৰাৰ পিছত গোপীনাথ বৰদলৈ ডাঙৰীয়ালৈ চিঠি লিখি জনায় যে কংগ্ৰেছে পুনৰ সোনকালে মন্ত্ৰী সভালৈ নুঘুৰিব আৰু বৰ্ত্তমান ৯৩ ধাৰা মতে ছমাহ শাসনতন্ত্ৰ বিকল থাকিব লগা হলে ট্ৰাইবেল ৰাইজে অনেক অসুবিধা ভোগ কৰিব লাগিব। সেই বাবে কাম আদায় কৰিবলৈ, (চাব) শ্বাদু-ল্লাই, মন্ত্ৰী সভা পাতিলে ট্ৰাইবেল লীগে যোগ দিলে কংগ্ৰেছৰ কি আপত্তি থাকিব পাৰে, বুলি কংগ্ৰেছ নেতা বৰদলৈলৈ চিঠি লিখে। ভীমবৰে কৈছিল যে ৰেভাৰেণ্ড নিকলাছৰয়ে মন্ত্ৰী সভা কৰিব নোৱাৰে।

বৰদলৈ ডাঙৰীয়াই চিঠিৰ প্ৰত্যুত্তৰ দিয়ে যে যদিও ট্ৰাইবেল এম. এল. এ. সকলে কংগ্ৰেছী

সবলৰ দৰে জেললৈ যাব. নেলাগে; তথাপি নৈতিক বল দি সহায় কৰিব লাগে।

যদি কংগ্ৰেছৰ গঠনমূলক কামবোৰ কৰিবলৈ ৰাজি হয় : তেন্তে নিকলাছৰয়ে মন্ত্ৰী সভাক কংগ্ৰেছে সমৰ্থন কৰিব। তেওঁ লিখে—"We have already said that your Ministry would receive support from us in the execution of the constructive programme of the Congress, and I do not see what other open declaration is necessary.... ... ....

"I am myself not in a position to say how the present impasse will end, but if a tough fight is to come, we have to face it. But it must be remembered why this fight is made. Is it for the benefit of the Congressmen or the caste Hindus who would quarrel like cats and dogs over the services ?.... .... ...

"Why not strengthen me not by accepting the sufferings but by giving us your moral support and it is all that we want in case a fight comes

"I your formulate your demands properly, you may kindly send them to me. .... .... ...

"I felt the suddest when they brought forward the question of separate electorate in the local bodies in a resolution at the North Kamrup Tribal conference, although I feel any reservation may be allowed subject to joint electorate."

এই বিলাকৰ পৰাই বুজা যায় কংগ্ৰেছবো ভীমবৰৰ ওপৰত কিমান আস্থা আছিল। ভীমবৰে কেনেকৈ ট্ৰাইবেলসকলে সকলো পিনে উদগতি কৰিব পাৰে তাৰ যে চিন্তা কৰে, তাৰেই প্ৰমাণ এইবোৰৰ পৰা পোৱা যায়।

অসম দেশখন বাৰে বৰণীয়া থলুৱা জাতি, জন-গোষ্ঠীৰ ভাষা-সাহিত্য আৰু সংস্কৃতিৰে ভৰা। এই বাৰে বৰণীয়া ভাষা-সাহিত্য, সংস্কৃতি মাজেদিয়ে আমি অসমীয়া জাতিয়ে দেশত ঐক্য আৰু সংহতি বিচাৰি পাইছোঁ। গতিকে অসমৰ থলুৱা জাতি, জন-গোষ্ঠীৰ ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিকাশ কৰাতো আমাৰ দেশৰ সকলো সচেতন মহলৰ কৰ্তব্য বুলি ভাবোঁ। কিন্তু তাকে কৰিব যাওঁতে নিজৰ মনৰ আবেগ প্ৰৱণতাৰ ভাব পৰিহাৰ কৰিব লাগিব। মানুহৰ মনৰ প্ৰৱণতাৰ ভাৱে একোটা জাতিৰ সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত বহুখিনি বিভ্ৰাট ঘটায়। দেশৰ মানুহৰ জন-জীৱনৰ ঐক্য আৰু সংহতিৰ প্ৰতি লক্ষ্য ৰাখি দেশত সকলো শ্ৰেণীৰ মানুহৰ গ্ৰহণযোগ্য লিপিৰে আমাৰ থলুৱা অসমৰ ভাষা-সাহিত্য লিখিলে সাহিত্যৰ সমস্যা সমাধান কৰাত সহায় হ'ব।

গোপীনাথ বৰদলৈ ডাঙৰীয়াৰ চিঠি পোৱাৰ পিছত ভীমবৰে এইদৰে উত্তৰ দিয়ে :—"I have gone through your letter and appriciate what you have said. But now I am in a confused state of mind without at all knowing what course would be best for us. Things have come too hurriedly and in a way not desired by me. It only

OKDISCD

shows how we are incapable of patience and sacrafice.”

...কাউঞ্চিলত ভীমবৰে বহি থকা নাছিল। নিজে বহুতো চেষ্টা কৰি অনেক ৰকমৰ খা-খবৰ ৰাখি ট্ৰাইবেল জাতিৰ শিক্ষা, স্বাস্থ্য, আৰ্থিক উন্নতি আদিৰ বাবে গবৰ্ণমেণ্টৰ ওচৰত দাবী জনাইছিল। সেই সময়ত লাইন প্ৰথা এটা ডাঙৰ সমস্যা আছিল। ১৯৪১ চনৰ কাউ-ঞ্চিল বাজেট অধিবেশনত ভীমবৰে কয়,—“লাইন প্ৰথাৰ ওপৰতে সমগ্ৰ অসমীয়া জাতি আৰু ট্ৰাইবেল ৰাইজৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে। যি জন অফিছাৰ লাইন প্ৰথা সম্বন্ধে তদন্ত কৰিবলৈ নিয়োগ কৰা হব, আৰু যাৰ সিদ্ধান্তৰ ওপৰতেই গবৰ্ণমেণ্টে নীতি গ্ৰহণ কৰিব, সেই অফিছাৰ জনৰ বহুতো দায়িত্ব আছে। মোৰ বোধেৰে উচ্চ পদস্থ ইউৰোপীয়ান ছিভিল ছাৰ্ভিছৰ এজন অফিচাৰ তদন্ত কৰিবলৈ নিয়োগ কৰাহেঁতেন বহুতৰে সন্দেহ মাৰ গলহেঁতেন, আৰু প্ৰেছ বিলাকৰ সমালোচনাবো হাত সাৰিব পৰা হল-হেঁতেন। দলে দলে পূৰ্ব্ব বঙ্গৰ পমুৱা আহি অসমৰ পতিত মাটি দখল কৰাৰ বাতৰি চাৰিও পিনে শুনা গৈছে, আৰু তাকে দেখি খিলঞ্জীয়া অসমীয়া মানুহৰ মনত আতঙ্কৰ সৃষ্টি হৈছে। যোৱা বছৰৰ ভিতৰত পমুৱা আৰু অধিবাসী সকলৰ মাজত বহুতো হাই-কাজিয়া হৈ গৈছে। মই অনুবোধ কৰোঁ, বৰ্ত্তমনে মন্ত্ৰী সভাই সকলো-বোৰ তদন্ত কৰি যথেষ্ট ভাৱে কাৰ্য্য-হাতত লব।” তাৰ পিছত তেখেতে শিক্ষাৰ সম্বন্ধে কয়,—“অতি সোনকালে অসম বিশ্ব-বিদ্যালয় স্থাপন কৰিবলৈ সিদ্ধান্ত কৰাত গৱৰ্ণমেণ্টক নথৈ ধন্যবাদ। অসম উপত্যকাৰ জনসাধাৰণে যোৱা কুৰি বছৰ ধৰি বিশ্ব-বিদ্যালয় স্থাপন কৰিবলৈ আন্দোলন কৰি আহিছে। আমি আশা কৰোঁ, বিশ্ব-বিদ্যালয় স্থাপন সম্পৰ্কে যি মতভেদ হৈছে, তাৰ অন্ত কৰি সোনকালে কাৰ্য্য হাতত লয় যেন।”

আৰু তেখেতে কয় যে ট্ৰাইবেল শিক্ষাৰ বাবে কেইখনমান প্ৰাইমাৰী স্কুল লোৱাৰ ব্যৱস্থা গৱৰ্ণ-মেণ্টে কৰিছে? কিন্তু ছাত্ৰবৃত্তি স্কুল, মাইনৰ আৰু হাইস্কুল ট্ৰাইবেল অঞ্চলত পাতিবলৈ গৱৰ্ণ-মেণ্টে ব্যৱস্থা কৰা নাই। ট্ৰাইবেল ছাত্ৰৰ উচ্চ শিক্ষাৰ বাবে ষ্টাইপেণ্ড দিয়াৰ ব্যৱস্থা কৰা হোৱা নাই। ট্ৰাইবেল ছাত্ৰই থাকিবৰ বাবে আৱশ্যকীয় বোৰ্ডিং সাজিবলৈ গৱৰ্ণমেণ্টে হাতত লোৱা নাই। অথচ এই বিলাক কাম হাতত লবলৈ ট্ৰাইবেল এডুকেশ্যন কনফাৰেঞ্চে গৱৰ্ণমেণ্টক উপদেশ দিছে।

তেখেতে আৰু কৈছিল যে ডিব্ৰুগড় ছোৱালী হাইস্কুলটো স্থানান্তৰ কৰিবৰ বাবে প্ৰস্তুৱ চলিছে। খোৱাং হাইস্কুলটোৰ বিল্ডিং আধা মাত্ৰ হৈছে। এইবোৰ কামত গবৰ্ণমেণ্টে মনোযোগ দিয়া নাই।

তেখেতে গবৰ্ণমেণ্টেক অনুবোধ কৰে যে যুদ্ধৰ বাবে সাধাৰণ এচেম্বলী নিৰ্ব্বাচন স্থগিত কৰাত যি টকা হাতত থাকিব, তাৰে প্ৰাইমাৰী শিক্ষা বিস্তাৰ কৰা যুগুত হব।

কৃষি সম্বন্ধে ভীমবৰে কৈছিল, “কংগ্ৰেছ কোৱেলিশ্যন মন্ত্ৰী সভাবদৰে এই মন্ত্ৰী সভাৱেও (শ্বাদুল্লা মন্ত্ৰীসভা) কৃষকৰ উন্নতিৰ বাবে চেষ্টা কৰা উচিত। গবৰ্ণমেণ্টে বৰ্ত্তমান কৰা নীতিত কৃষকক মাত্ৰ অলপ মাত্ৰ সহায় কৰিব পাৰে. কিন্তু কৃষকসকলক আত্মনিৰ্ভৰশীল হবলৈ কোনো ব্যৱস্থা কৰা নাই। স্থায়ীভাৱে কৃষক সম্প্ৰদা-য়ক আত্মনিৰ্ভৰশীল কৰিবলৈ হলে বৰ্ত্তমান চাহ

OKDISCD

খেতিৰ প্ৰথা অৱলম্বণ কৰা ভাল। বাগিছা বিলাকে তিনিটা কাম নিজে কৰাত বহুতো লাভ হৈছে। প্ৰথমতঃ বাগিছাই চাহ খেতি কৰে আৰু পাত উলিয়ায়, দ্বিতীয়তঃ চাহ নিজে নিজে তৈয়াৰ কৰে, তৃতীয়তঃ নিজে নিজে বিক্ৰী কৰে। এতেকে চাহ খেতিয়ক বিলাকে মধ্যস্থ লোক বা মাৰোৱাৰী আদি ধনীবিলাকৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া নহয়।

"আনহাতে আমাৰ গাৱলীয়া দুখীয়া খেতিয়কে নিজে নিজে মাত্ৰ ধান উৎপন্ন কৰে। বেপাৰী হ'ল মধ্যস্থ শিক্ষিত লোক বা মাৰোৱাৰী। তদুপৰি ধানৰ পৰা কিবা উৎপন্ন হয় যদি, তাক কৰে অন্যান্য তৃতীয় পক্ষই। আমাৰ খেতিয়ক বিলাকৰ সংগঠন নাই, শিক্ষা নাই, বুদ্ধি নাই। আনহাতে চাহ খেতিয়ক বিলাক সংঘবদ্ধ শিক্ষিত আৰু বৈজ্ঞানিক প্ৰণালীৰে কাম কৰে। চাহ বাগিছাৰ আদৰ্শত গাৱলীয়া খেতিয়কে কৃষি কৰিব পৰা ব্যৱস্থা গৱৰ্ণমেণ্টে কৰা উচিত। এই কাৰ্য্য সমধা কৰিবলৈ গৱৰ্ণমেণ্টে কৃষি বাণিজ্য আৰু শিল্প এই তিনিওটা বিভাগ এজন মাত্ৰ মন্ত্ৰীৰ হাতত দি গৱেষণা মূলকভাৱে কাৰ্য্য হাতত লোৱা উচিত।

ভীমবৰৰ এই বক্তব্যৰ পৰাই বুজিব পাৰি যে তেখেতে দুখীয়া খেতিয়ক আৰু ট্ৰাইবেল লোকক কিমান মৰম কৰিছিল।

# অসমৰ থলুৱা ভাষা-সাহিত্যৰ সমস্যা

শ্ৰীভবেন নাৰ্জি

ভাষা মানুহে নিজৰ সমাজৰ মাজত ব্যৱহাৰৰ কাৰণে সৃষ্টি কৰি লৈছে। কোনো এটা ভাষা এজন মানুহৰ ব্যৱহাৰৰ কাৰণে নহয়। ভাষা মানুহৰ সমাজৰ জৈৱিক ব্যৱহাৰৰ কাৰণেহে। কোনো এটা ভাষা ব্যক্তিগত ভাবে ব্যৱহাৰ কৰিলেও ই প্ৰকৃততে জাতি আৰু সমাজৰ কাৰণেহে। তেনে এটা ভাষালৈ সমাজে আবেগিক আৰু উদ্দেশ্য প্ৰণোদিত হলে সেই ভাষাই উন্নতিৰ প্ৰতি সৎ উদ্দেশ্যত ব্যাঘাত জন্মায়। ভাষাৰ প্ৰকৃতি মূলতঃ সমন্বয়বাদী। ভাষা সম্প্ৰসাৰণবাদী হলে বিপদ আছে। ভাষা দেশৰ বিভিন্ন জাতি গোষ্ঠীৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত সমন্বয়বাদী হলে ই দেশৰ জাতিৰ মানুহৰ মাজত ঐক্য প্ৰতিষ্ঠা কৰাত অৰিহনা যোগায় আৰু দেশৰ প্ৰতি মংগলজনক হয়।

কোনো এটা ভাষাৰ পৰিসৰ বঢ়া-টুটা হোৱা, প্ৰসাৰতা লাভ কৰা আৰু শ্ৰীবৃদ্ধি হোৱা এই আটাইবোৰ সেই ভাষা কোৱা মানুহৰ জাতীয় জীৱন চৰিত্ৰৰ ওপৰত বহুখিনি নিৰ্ভৰ কৰে। আত্মচেতনাৰ অভাৱ, অলসতা আৰু দূৰদৰ্শীতাৰ অভাৱৰ পৰিপ্ৰেক্ষিতত জাতিৰ মাজত কোনো ভাষা জীয়াই থাকিব নোৱাৰে। জীয়াই থাকিলেও এচুকত হেচা খাই ৰব। কোনো এটা ভাষা জীয়াই ৰাখি তাৰ উন্নতি আৰু বিকাশ সাধন কৰিবলৈ হলে, সেই ভাষাৰ প্ৰতি অধ্যয়ণ আৰু বৈজ্ঞানিক দৃষ্টি ভঙ্গীৰে গৱেষণা কৰি সেই